# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-07-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## HEADLINES

১। ৰাজ্যত বিগত ১০ বছৰত দৰিদ্ৰতাৰ হাৰ ১৪ শতাংশলৈ হ্ৰাস হোৱা বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ বিধানসভাত মন্তব্য।

২। গুৱাহাটীৰ ৰিং ৰোড প্ৰকল্পই যোৱাবাটৰ বান সমস্যা সমাধানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মুখ্যমন্ত্ৰীৰ আশাপ্ৰকাশ।

৩। হাতী-মানুহৰ সংঘাত দূৰ কৰাৰ বাবে হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী পৰিকল্পনাৰ প্ৰয়োজন বুলি বন আৰু পৰিৱেশ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ প্ৰকাশ।

৪। ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যৰ ডিব্ৰুগড়ৰ জলসম্পদ প্ৰকল্প পৰিদৰ্শন।

*আৰু*

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত আৰ্জেণ্টিনা, ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০০

অসম বিধানসভাৰ বাজেট অধিৱেশনৰ আজি অষ্টম দিনা গুৱাহাটী মহানগৰীক পাৰ্প'ল চিটী হিচাপে গঢ় দিয়াক লৈ আলোচনা অনুষ্ঠিত হয়। বিধায়ক প্ৰদ্যুৎ বৰদলৈয়ে এই সন্দৰ্ভত উত্থাপন কৰা প্ৰশ্নৰ উত্তৰ দি গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে কয় যে ৰাজ্যৰ চহকী সাংস্কৃতিক পৰিচয় আৰু ঐতিহ্যৰ প্ৰতীক হিচাপে পৰিচিত কপৌ ফুলৰ পাতল বেঙুনীয়া ৰঙেৰে সমগ্ৰ গুৱাহাটী চহৰখন সজাই তোলাৰ বাবে গুৱাহাটী পৌৰ নিগমে সিদ্ধান্ত লৈছে। তেওঁ কয় যে ৰাজস্থানৰ পিংক চিটী হিচাপে জনাজাত জয়পুৰৰ আৰ্হিৰে গুৱাহাটীক পাৰ্প'ল চহৰ হিচাপে গঢ়ি তোলাৰ বাবে ইতিমধ্যে গুৱাহাটী পৌৰ নিগমে সকলো ৱাৰ্ডৰ নাগৰিক সমিতি, উন্নয়ন সমিতি তথা স্থানীয় ৰাজহুৱা সমিতিসমূহক স্বেচ্ছামূলকভাৱে এই পদক্ষেপত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। ইপিনে, সদনত আজি চলিত বিত্তীয় বৰ্ষৰ বাজেট সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ অভিভাষণত চৰকাৰৰ কল্যাণকামী আঁচনিসমূহৰ বিষয়ে প্ৰকাশ কৰে। ড০ শৰ্মাই বিগত ১০ বছৰত দ্বৈত ইঞ্জিন চৰকাৰে দৰিদ্ৰতা নিৰ্মূলৰ ক্ষেত্ৰত লাভ কৰা সফলতাৰ কথা উল্লেখ কৰি কয় যে ৰাজ্যৰ দৰিদ্ৰতাৰ হাৰ ২০১৫ চনৰ ৩২ দশমিক ৬-৮ শতাংশৰ তুলনাত বৰ্তমান ১৪ শতাংশলৈ অৱনমিত হৈছে।

মুখ্যমন্ত্ৰীগৰাকীয়ে জালুকবাৰীৰ পৰা খানাপাৰালৈ ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োকাষে বৃহৎ পৰিসৰত এজাৰ গছৰ পুলি ৰোপণৰ পৰিকল্পনা কৰাৰ বিষয়ে আজি বিধানসভাত প্ৰকাশ কৰে।

*বাইট (হিমন্ত)*

মুখ্যমন্ত্ৰী ড০ শৰ্মাই যোৱাবাটৰ বান সমস্যাৰ প্ৰসঙ্গত কয় যে গুৱাহাটীৰ ৰিং ৰোড প্ৰকল্পই যাতায়াত ব্যৱস্থা উন্নত কৰাৰ লগতে এই বান সমস্যা সমাধানৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এই প্ৰকল্পৰ বাবে ইতিমধ্যে ১৫০ কোটি টকা আবণ্টন দিয়া হৈছে আৰু বৰ্তমান ইয়াৰ নক্সা প্ৰস্তুত কৰি থকা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ

দিয়ে। তেওঁ লগতে আই আই টি গুৱাহাটীৰ বিশেষজ্ঞৰ সহায়ত বৈজ্ঞানিকভাৱে নক্সা পৰীক্ষা কৰি ৰিং ৰোড প্ৰকল্পৰ কাম আগবঢ়োৱা হ'ব বুলি মন্তব্য কৰে।

*বাইট (হিমন্ত)*

বিধানসভাত আজি পি এম কিষাণ আঁচনিৰ ঋণক লৈ বিধায়ক চক্ৰধৰ গগৈৰ এটা প্ৰশ্নৰ উত্তৰত কৃষিমন্ত্ৰী পীযুষ হাজৰিকাই এতিয়াৰে পৰা ক্ষুদ্ৰ চাহ খেতিয়কেও পি এম কিষাণৰ ঋণ লাভ কৰিব বুলি প্ৰকাশ কৰে। তেওঁ কয়, যে এতিয়ালৈ ১৮ লাখ ৫৯ হাজাৰ কৃষকে পি এম কিষাণ আঁচনিৰ অধীনত ধন লাভ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ অভিলাষী কৃষি আন্তঃগাঁথনি পুঁজিৰ জৰিয়তে ৰাজ্যৰ উদ্যমী কৃষি উদ্যোগীসকলক সহায় আগবঢ়োৱাৰ বাবে চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি উল্লেখ কৰি কৃষি মন্ত্ৰীগৰাকীয়ে কয় যে অহা ২৫ জুলাইত গুৱাহাটীত ৰাজ্যৰ প্ৰায় ৫ হাজাৰ কৃষি উদ্যমীক সাক্ষাৎ কৰি এই সন্দৰ্ভত অৱগত কৰোৱা হ'ব।

০০০০০০০

ৰাজ্যত হাতী-মানুহৰ সংঘাত দূৰ কৰাৰ বাবে কিছু হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী পৰিকল্পনাৰ প্ৰয়োজন বুলি বন আৰু পৰিবেশ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই প্ৰকাশ কৰিছে। বনমন্ত্ৰীগৰাকীয়ে আজি এখন সংবাদ মেলত কয় যে দীৰ্ঘম্যাদী পৰিকল্পনাৰ অংশ হিচাপে বনানীকৰণত গুৰুত্ব আৰোপ কৰিব লাগিব, বিশেষকৈ হাতীৰ উপযোগী বিচৰণ ভূমি গঢ়ি তোলাত গুৰুত্ব দিব লাগিব। হাতীৰ সংখ্যা আৰু ইয়াৰ বিচৰণ ভূমি নিৰ্ধাৰণ কৰি একো একোটা নিৰ্দিষ্ট মণ্ডল চিনাক্ত কৰা হ'ব আৰু এই মণ্ডলসমূহত অভিজ্ঞ লোকৰ সহায়ত স্থানীয় বিধায়ক তথা সংশ্লিষ্ট বিভাগৰ লোকে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব বুলি শ্ৰীবৰুৱাই জানিবলৈ দিয়ে। হাতীৰ আক্ৰমণত প্ৰাণ হেৰুওৱা লোকৰ ক্ষতিপূৰণ সন্দৰ্ভত বন মন্ত্ৰীগৰাকীয়ে কয় যে হাতীৰ আক্ৰমণত কোনো লোকৰ মৃত্যু হ'লে ৬ লাখ টকাৰ এককালীন সাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। তদুপৰি, খাদ্যৰ সন্ধানত জনাঞ্চললৈ ওলাই অহা হাতীয়ে শস্যপথাৰ নষ্ট কৰিলে এবিঘা মাটিত ৮ হাজাৰ টকাকৈ সাহায্য প্ৰদানৰ ব্যৱস্থা আছে বুলিও শ্ৰীমল্লবৰুৱাই জানিবলৈ দিয়ে।

*-বাইট (জয়ন্ত)-*

০০০০০০০

প্ৰতিগৰাকী প্ৰকৃত কৃষকে যাতে চৰকাৰী সুবিধা লাভ কৰে তাৰবাবে কৃষকৰ পঞ্জীয়ন প্ৰক্ৰিয়াটো অধিক ক্ষিপ্ৰ কৰিবলৈ নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই সংশ্লিষ্ট পক্ষক নিৰ্দেশ দিছে। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আজি অনুষ্ঠিত এখন সভাত আয়ুক্ত শৰ্মাই প্ৰকৃত কৃষকসকল যাতে সাৰ লাভৰ পৰা বঞ্চিত নহয় সেই বিষয়তো গুৰুত্ব আৰোপ কৰে। এই বৈঠকত কৃষক পঞ্জীয়ন ব্যৱস্থাৰ অগ্ৰগতিৰ খতিয়ানো লোৱা হয়। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত গোপাল শৰ্মা, পল্লৱী গগৈ, ৰাজহ চক্ৰ বিষয়া, জিলা কৃষি বিষয়া আৰু বিভাগটোৰ আন বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু যোৰহাট জিলা প্ৰশাসনৰ সহযোগত বিধানসভা সমষ্টি-ভিত্তিত বিশেষ গ্ৰীষ্মকালীন কৰ্মশালাৰ আয়োজন কৰা হৈছে। এই কৰ্মশালাত যোৰহাট, টিয়ক, মৰিয়নী আৰু তিতাবৰ বিধানসভা সমষ্টিৰ বিভিন্ন স্থানত অনুষ্ঠিত হ'ব। ছাত্ৰ-ছাত্ৰীসকলক অভিজ্ঞ প্ৰশিক্ষকৰ জৰিয়তে বিভিন্ন লাগতিয়াল তথা গুৰুত্বপূৰ্ণ কলা-কৌশল শিকোৱাৰ উদ্দেশ্যে এই কৰ্মশালাৰ আয়োজন কৰা হৈছে। যোৰহাট সমষ্টিত আজিৰে পৰা ৩০ জুলাইলৈ যোৰহাট থিয়েটাৰত এই কৰ্মশালাৰ আয়োজন কৰা হৈছে। তিতাবৰ সমজিলা প্ৰশাসনৰ সহযোগত ঠেঙাল-কছাৰী স্বায়ত্ত শাসিত পৰিষদে আয়োজন কৰা কৰ্মশালাত নাটৰ প্ৰশিক্ষণ দিয়া হ'ব। সমষ্টিটোৰ কলাতীৰ্থ সংগীত মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত আন এটা কৰ্মশালাত ভূপেন্দ্ৰ সংগীত আৰু লোকগীতৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।

০০০০০০০

পাঠশালা শিক্ষাপীঠ আদৰ্শ বুনিয়াদী হাইস্কুলত আজি নতুন শিক্ষানীতি ২০২০ বিষয়ক এখন এদিনীয়া শিক্ষক প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হয়। বিশিষ্ট শিক্ষাবিদ অধ্যাপক ড° সঞ্জীৱ কুমাৰ গোস্বামীয়ে সমল ব্যক্তিৰূপে ভাগ লোৱা এই কৰ্মশালাত ছাত্ৰ-ছাত্ৰীৰ মনঃস্বত্ত্ব, ভাষা শিক্ষণৰ দক্ষতা আৰু আধুনিক শ্ৰেণীকোঠা পৰিচালনাৰ বিভিন্ন দিশত প্ৰশিক্ষণ প্ৰদান কৰে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক উৎপল বৰকাকতিয়ে উদ্বোধন কৰা এই কৰ্মশালাখন সঞ্চালনা কৰে শিক্ষাবিদ নন্দ দুলাল চৌধুৰীয়ে।

০০০০০০০

মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মিলন কক্ষত আজি জিলা আয়ুক্ত অনামিকা তিৱাৰীৰ সভাপতিত্বত লোকপিয়ল সম্পৰ্কীয় জিলা পৰ্যায়ৰ এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। সভাত জিলাখনৰ লোকপিয়ল সম্পৰ্কীয় প্ৰস্তুতি আৰু অগ্ৰগতিৰ বিস্তৃত পৰ্যালোচনা কৰা হয়। জিলাখনৰ বিভিন্ন ৰাজহ চক্ৰৰ বিষয়া আৰু সংশ্লিষ্ট বিভাগৰ বিষয়াবৰ্গ উপস্থিত থকা এই সভাত আয়ুক্ত তিৱাৰীয়ে বিষয়াসকলক সকলো দায়িত্ব সময়মতে, সঠিকভাৱে আৰু সমন্বয় ৰক্ষা কৰি সম্পন্ন কৰাৰ বাবে নিৰ্দেশনা দিয়ে।

০০০০০০০

ৰাজ্য চৰকাৰে বান ব্যৱস্থাপনা শক্তিশালী কৰিবলৈ আৰু খহনীয়া ৰোধ কৰিবলৈ ব্যাপক পদক্ষেপ গ্ৰহণ কৰা বুলি ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই প্ৰকাশ কৰিছে। আজি ডিব্ৰুগড়ৰ মাইজানৰ নগাঘূলি ঘাটৰ জলসম্পদ প্ৰকল্প পৰিদৰ্শন কৰি ৰাজ্যপালগৰাকীয়ে বান নিয়ন্ত্ৰণ তথা খহনীয়া প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰা সাম্প্ৰতিক ব্যৱস্থাসমূহৰ বুজ লৈ এই কথা প্ৰকাশ কৰে। তেওঁ পৰিৱেশৰ স্থায়িত্ব বৃদ্ধিৰ বাবে মথাউৰিৰ কাষে কাষে গছ পুলি ৰোপন কৰা তথা এই স্থানসমূহত পৰ্যটনৰ সা-সুবিধা বৃদ্ধি কৰাকে ধৰি স্থানীয় যুৱক-যুৱতীসকলৰ বাবে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰাতো গুৰুত্ব আৰোপ কৰে। এই পৰিদৰ্শন কালত ৰাজ্যপালগৰাকীয়ে জলসম্পদ বিভাগৰ বিষয়াসকলৰ সৈতে প্ৰকল্পটোৰ সুৰক্ষা আৰু স্থায়িত্বৰ বিষয়েও আলোচনা কৰে। ইয়াৰ পিছতে ৰাজ্যপাল আচাৰ্যই চাবুৱাত নিৰ্মীয়মান উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন ক্ৰীড়া বিশ্ববিদ্যালয় শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ চৌহদো পৰিদৰ্শন কৰে। এই পৰিদৰ্শন কালত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক ড° হীৰেন্দ্ৰ নাথ শৰ্মা, পঞ্জীয়ক পংকজ বৰঠাকুৰকে ধৰি অধ্যাপক, অধ্যাপিকা আৰু শিক্ষাৰ্থীসকলো উপস্থিত থাকে।

০০০০০০০

সদৌ অসম ন্যায়িক কৰ্মচাৰী সন্থাই বিভিন্ন দাবীৰে আজিৰে পৰা দুদিনীয়াকৈ ৰাজ্যজুৰি কৰ্মবিৰতি পালন কৰিছে। কামৰূপ মহানগৰ জিলা আদালতৰ চৌহদতো আজি কৰ্মচাৰীসকলে কৰ্মবিৰতি পালন কৰে। চেট্টী আয়োগৰ পৰামৰ্শাৱলীৰ ভিত্তিত উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা হুকুম সম্পূৰ্ণভাৱে কাৰ্যকৰী নকৰাৰ প্ৰতিবাদকে ধৰি অন্যান্য দাবীৰে ন্যায়িক কৰ্মচাৰীসকলে এই প্ৰতিবাদ সাব্যস্ত কৰিছে।

বিশ্বনাথ চাৰিআলি ন্যায়িক জিলা চৌহদতো কৰ্মবিৰতি পালন কৰা হয়। সদৌ অসম নাগৰিক কৰ্মচাৰী সংঘৰ আহ্বান মৰ্মে হাইলাকান্দি জিলা ন্যায়ালয়ৰ কৰ্মচাৰীসকলেও দুদিনীয়া কৰ্মবিৰতি পালন কৰিছে। ইয়াৰ ফলত জিলা আদালতৰ দৈনন্দিন কাম-কাজ ব্যাহত হোৱা বুলি আমাৰ সংবাদদাতাই জনাইছে। কৰ্মচাৰীসকলে তেওঁলোকৰ বাবে পৃথক সেৱা বিধি প্ৰণয়ন, দৰমহাৰ বিসঙ্গতি দূৰ কৰা, চিকিৎসাৰ ক্ষতিপূৰণ দিয়া আদি বিভিন্ন দাবীৰে প্ৰতিবাদ সাব্যস্ত কৰে।

শিৱসাগৰ জিলা ন্যায়িক কৰ্মচাৰীসকলেও বিভিন্ন দাবীৰ সমৰ্থনত দুদিনীয়া কৰ্মবিৰতি কাৰ্যসূচী পালন কৰে। কৰ্মচাৰীসকলে জানিবলৈ দিয়া মতে, তেওঁলোকৰ দাবীসমূহ বিভিন্ন মাধ্যমৰে চৰকাৰৰ ওচৰত উত্থাপন কৰাৰ পিছতো পূৰণ নোহোৱাত এই প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হৈছে।

ইপিনে, ন্যায়িক কৰ্মচাৰীৰ প্ৰতিবাদৰ বাবে আজি ন্যায়াধীশ শৰ্মিলা ভূঞা ফাষ্ট ট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ শুনানি অনুষ্ঠিত নহ'ল। আদালতৰ নিৰ্দেশৰ ভিত্তিত পুৱাৰ ভাগত জুবিন গাৰ্গৰ ভগ্নী পামি বৰঠাকুৰ আদালতত উপস্থিত থাকে যদিও কৰ্মচাৰীসকলৰ কৰ্মবিৰতিৰ বাবে সাক্ষ্য গ্ৰহণ কৰিব পৰা নহ'ল।

0000000

গোৱালপাৰা জিলা পথ সুৰক্ষা সমিতিৰ এখন সভা আজি জিলা আয়ুক্ত কাৰ্যালয় সভাকক্ষত অনুষ্ঠিত হয়। জিলা আয়ুক্ত প্ৰদীপ টিমুঙৰ অধ্যক্ষতাত অনুষ্ঠিত এই সভাত পথ সুৰক্ষাৰ বিভিন্ন দিশৰ উপৰি বিগত মাহত সংঘটিত পথ দুৰ্ঘটনাৰ কাৰণসমূহ বিশ্লেষণ কৰা হয়। বৈঠকত লগতে ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত চিচি টিভি স্থাপন, ফুট ব্ৰীজ নিৰ্মাণ আদিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰা হয়। সভাত জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্ত, গোৱালপৰা পশ্চিম সমজিলাৰ আয়ুক্ত ঋতুত্তম বৰাকে ধৰি কেইবাগৰাকী বিষয়া আৰু অভিযন্তাই অংশগ্ৰহণ কৰে।

0000000

নগাঁও জিলাৰ ধনিয়াভেটি গাঁও পঞ্চায়তৰ চ'ৰাপাৰাত আজি এটা পথত নিৰ্মাণ কৰা আধাৰশিলা ভাঙি দুটি শিশুৰ থিতাতে মৃত্যু হয়। আমাৰ নগাঁৱৰ সংবাদদাতাই জনোৱা মতে গাঁওখনত এম জি এনৰেগাৰ এটা আধাৰশিলাৰ কাষত কেইটামান কণ কণ ল'ৰা-ছোৱালীয়ে খেলি থকা অৱস্থাত আধাৰশিলাটো ভাঙি দুটি শিশুৰ গাত পৰাত থিতাতে মৃত্যু হয়। এই দুৰ্ঘটনাত এগৰাকী কিশোৰী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। আহত কিশোৰীগৰাকী সম্প্ৰতি চিকিৎসাধীন হৈ আছে।

0000000

যোৱা ১৩ জুলাইত দেহাৱসান ঘটা বিশিষ্ট সাহিত্যিক, পদ্মশ্ৰী সন্মানেৰে বিভূষিত গীতা উপাধ্যায়ৰ শেষকৃত্য আজি ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয়। তেজপুৰৰ বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু সাহিত্য অনুষ্ঠানৰ লগতে বিভিন্ন দল-সংগঠনে পুষ্পাঞ্জলি অৰ্পণেৰে সাহিত্যিকগৰাকীলৈ শেষ শ্ৰদ্ধা নিবেদন কৰে। শোণিতপুৰ জিলা আয়ুক্ত আনন্দ কুমাৰ দাসে আজি পুৱা প্ৰয়াত সাহিত্যিকগৰাকীৰ বাসগৃহত উপস্থিত হৈ শ্ৰদ্ধা জ্ঞাপনৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। উল্লেখযোগ্য যে সৃষ্টিশীলতা, দেশপ্ৰেম আৰু ভাষিক সমন্বয়েৰে অসমীয়া আৰু নেপালী ভাষাত সাহিত্যচৰ্চা কৰি সম্প্ৰীতিৰ ভেটি সুদৃঢ় কৰা গীতা উপাধ্যায়ে দুবাৰকৈ সাহিত্য একাডেমী বঁটা লাভ কৰাৰ উপৰি শেহতীয়াকৈ অসম চৰকাৰৰ সতী সাধিনী বঁটা লাভ কৰিছিল।

0000000

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত আৰ্জেণ্টিনা, ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ১২ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত যোৱা নিশা ডালাচ ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত ফ্ৰান্সক ২-০ গ'লত পৰাস্ত কৰি স্পেইন ফাইনেলত প্ৰৱেশ কৰিছে। ছেমি ফাইনেলত পৰাজিত দুটা দলে ১৯ জুলাইত মিয়ামিত তৃতীয় স্থানৰ বাবে প্লে অফৰ খেলত অৱতীৰ্ণ হ'ব।

অহা ২০ জুলাইত নিউয়ৰ্কৰ নিউজাৰ্চি ষ্টেডিয়ামত ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেল অনুষ্ঠিত হ'ব।

0000000

**সমাপ্ত**